# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 03-04-2026 **Time :** 1100 Hrs.

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসক আৰু বিৰোধী দলৰ প্ৰাৰ্থীসকলে জনসভা, ৰোড শ্ব'ৰ জৰিয়তে ভোটদাতাসকলক আকৰ্ষিত কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে। তাৰকা প্ৰচাৰকসকলেও দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক নিৰ্বাচনী প্ৰচাৰত ভাগ লৈছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গোলকগঞ্জ বিধানসভা সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত ধুবুৰীত প্ৰচাৰ সভাত অংশ ল'ব। শ্ৰীশ্বাহে দুধনৈ আৰু পলাশবাৰীত নিৰ্বাচনী সভাত ভাষণ দিব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি কমলপুৰ, মঙলদৈ আৰু নিউ গুৱাহাটী সমষ্টিত  প্ৰচাৰ সভাত অংশ ল'ব। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ আজি নিৰ্বাচনী প্ৰচাৰৰ বাবে অসমলৈ আহিব। তেওঁ বৰপেটা আৰু বৰছলাত প্ৰচাৰ চলাব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি হাইলাকান্দি, ধলাই, কাটিগড়া আৰু বৰখলাত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব।

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মাজুলীৰ এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী ভূৱন গামৰ সমৰ্থনত জেংৰাইমুখ আৰু কমলাবাৰীত প্ৰচাৰ সভাত ভাগ ল'ব।

মুখ্য বিৰোধী দল কংগ্ৰেছকে ধৰি অন্যান্য দলৰ প্ৰাৰ্থীসকলেও সমষ্টিয়ে সমষ্টিয়ে গৈ প্ৰচাৰ অব্যাহত ৰাখিছে।

নিৰ্বাচনী প্ৰচাৰৰ বাবে অসমলৈ অহা এ আই এম আই এমৰ মুৰব্বী আছাদুদ্দিন ওৱেছিয়ে আজি গোৱালপাৰা পূব সমষ্টিৰ এ আই ইউ ডি এফৰ প্ৰাৰ্থী হাফিজ বছিৰ আহমেদ কছিমীৰ হৈ প্ৰচাৰ চলাব।

বিটিচিৰ মুৰব্বী তথা বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে  দলীয় প্ৰাৰ্থী ৰবিৰাম নাৰ্জাৰী, চিউলী মহিলাৰী আৰু ৰূপম ৰয়ৰ সমৰ্থনত দতমা, কোকৰাঝাৰ আৰু বাওখুংগ্ৰী সমষ্টিত প্ৰচাৰ চলাই আছে।

ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে দলগাঁও সমষ্টিৰ শিয়ালমাৰী, শিলবৰী, বাহাবাৰী অঞ্চলত ব্যাপক প্ৰচাৰ চলাইছে। তেওঁ দলগাঁও সমষ্টিৰ কংগ্ৰেছ মিত্ৰজোঁটৰ প্ৰাৰ্থী আজিজুৰ ৰহমানক ভোট দি জয়যুক্ত কৰাৰ বাবে ৰাইজৰ প্ৰতি আহ্বান জনায়।

০০০০০০০

নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জিলাই জিলাই আৰক্ষী আৰু জিলা প্ৰশাসনৰ তালাচী অভিযান অব্যাহত আছে। গোলাঘাট জিলাত আৰক্ষীয়ে বিভিন্ন স্থানত নাকাচেকিঙৰ ব্যৱস্থা কৰি কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা দেখা গৈছে। ৰাজ্যৰ বিভিন্ন ঠাইত ফ্লায়িং স্কোৱাডৰ দলে অভিযান চলাই বুজন পৰিমাণৰ সুৰা আৰু নগদ ধন জব্দ কৰাৰ বাতৰি আমালৈ আহিছে। ওদালগুৰি জিলাৰ হৰিশিঙা আৰক্ষীয়ে অভিযান চলাই কোৱামুৰ অঞ্চলৰ পৰা বহুসংখ্যক অবৈধ সুৰা জব্দ কৰে।

০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে অসম লোকসেৱা আয়োগৰ নিযুক্তি কেলেংকাৰীক লৈ গঠন কৰা প্ৰাক্তন ন্যায়াধীশ বিপ্লব কুমাৰ শৰ্মা আয়োগৰ তদন্তৰ প্ৰতিবেদন কাৰ্যত নাকচ কৰে। ২০১৩ আৰু ২০১৪ চনৰ এ পি এছ চি পৰীক্ষাৰ কেলেংকাৰীক লৈ গঠিত বি কে বি শৰ্মা আয়োগৰ প্ৰতিবেদনৰ ভিত্তিত কোনো বাচনিকৃত প্ৰাৰ্থীৰ বিৰুদ্ধে বিভাগীয় তদন্ত বা ফৌজদাৰী ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিব। উল্লেখযোগ্য যে গোচৰীয়া পক্ষই প্ৰতিবেদনখনৰ বৈধতাক লৈ প্ৰশ্ন উত্থাপন কৰাৰ পাছত কেইবাটাও গোচৰৰ ভিত্তিত গুৱাহাটী উচ্চ ন্যায়ালয়ে বুধবাৰে এই ৰায় প্ৰদান কৰে। উচ্চ ন্যায়ালয়ে ৰায়টোত স্পষ্ট কৰি উল্লেখ কৰে যে তদন্তৰ সময়ত বিপ্লব কুমাৰ শৰ্মা আয়োগে **কমিচন অব এনকুৱেৰী এক্ট** - ১৯৫২ৰ ধাৰা খ আৰু ৮ গ অনুসৰণ কৰা নাছিল। এই ধাৰাসমূহৰ অধীনত কোনো বিষয়াৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰাৰ পূৰ্বে আয়োগে তেওঁক নিয়মমাফিক জাননী জাৰি কৰিব লাগে। লগতে সংশ্লিষ্ট বিষয়াজনক নিজৰ পক্ষ উপস্থাপন কৰাৰ পূৰ্ণ সুযোগ প্ৰদান কৰাটো বাধ্যতামূলক। কিন্তু তদন্ত আয়োগে এই মৌলিক প্ৰক্ৰিয়াসমূহ মানি চলা নাছিল বুলি আদালতে মত পোষণ কৰে। এই গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়াগত ত্ৰুটিৰ বাবে আদালতে কাৰ্যত প্ৰতিবেদনখনক আইনগতভাৱে অগ্ৰহণযোগ্য বুলি গণ্য কৰে। অৱশ্যে আদালতে প্ৰতিবেদনখন সম্পূৰ্ণৰূপে বাতিল কৰা নাই। ৰায় অনুসৰি, এই প্ৰতিবেদনখনৰ নীতি নিৰ্ধাৰণ বা ভৱিষ্যতৰ প্ৰশাসনিক ব্যৱস্থাৰ বাবে ব্যৱহাৰ কৰিব পৰা যাব। কিন্তু কোনো বিষয়া বা ব্যক্তি বিশেষৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণত ইয়াৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। আদালতে সংশ্লিষ্ট অভিযুক্ত বিষয়াকলৰ নিলম্বনৰ আদেশ বৈধ বুলি স্বীকাৰ কৰে যদিও নিলম্বনৰ আদেশ পুনৰীক্ষণ কৰাৰ নিৰ্দেশ দিয়ে।০০০০

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ ফ্লৰিডাৰ কেনেডি মহাকাশ কেন্দ্ৰৰ পৰা চাৰিগৰাকী মহাকাশচাৰীয়ে কালি আৰ্টেমিছ-টু নামৰ ৰকেটেৰে ১০ দিনীয়া চন্দ্ৰ অভিযানৰ লক্ষ্যৰে যাত্ৰা কৰে। এই অভিযান হৈছে ৫৪ বছৰৰ পাছত চন্দ্ৰলৈ প্ৰথম মানৱ অভিযান। ১৯৭২ চনৰ ডিচেম্বৰত এপ'ল'-ছেভেণ্টিন অভিযানৰ পাছত এই প্ৰথমবাৰ মানুহ আকৌ চন্দ্ৰলৈ যাবলৈ অভিযান চলাইছে। প্ৰতি ঘণ্টাত প্ৰায় ৪০ হাজাৰ কিলোমিটাৰ বেগেৰে যাত্ৰা কৰা এই মহাকাশ যানখন হ'ব ইতিহাসত আটাইতকৈ দ্ৰুতবেগী মানৱ মহাকাশ যান। আৰ্টেমিছ-টু অভিযানত থকা মহাকাশচাৰী কেইজন হৈছে- কমাণ্ডাৰ ৰেইড ৱাইজমেন, পাইলট ভিক্টৰ গ্লোভাৰ, মিছন স্পেছিয়েলিষ্ট ক্ৰিষ্টিনা ক'চ তথা কানাডাৰ মহাকাশচাৰী মিছন স্পেছিয়েলিষ্ট জেৰেমি হান্সেন।

০০০০০০০

**সমাপ্ত**